# Phone call between Prime Minister Shri Narendra Modi and H. E. Mr. Ferdinand Marcos Jr., President of the Philippines

August 05, 2022

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু ফিলিপাইনছৰ মহামহিম ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড মাৰ্কোছ জুনিয়ৰৰ মাজত টেলিফোনৰে বাৰ্তালাপ

**আগষ্ট 05, 2022**

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ফিলিপাইনছৰ মহামহিম ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড মাৰ্কোছ জুনিয়ৰৰ সৈতে টেলিফোনৰে বাৰ্তালাপত মিলিত হয়।

ফিলিপাইনছৰ সপ্তদশ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা বাবে মহামহিম মাৰ্কোছ জুনিয়ৰক প্ৰধানমন্ত্ৰীয়ে অভিনন্দন জনায়।

দুয়োগৰাকী নেতাই বিভিন্ন ক্ষেত্ৰত গঢ়ি উঠা দ্বিপাক্ষিক সম্পৰ্কৰ সমীক্ষা কৰাৰ লগতে শেহতীয়া বছৰদিয়েকত দুয়োখন ৰাষ্ট্ৰৰ মাজত দ্ৰুত গতিত বৃদ্ধি পোৱা সহযোগিতাক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

ভাৰতৰ ‘এক্ট ইষ্ট নীতি’ আৰু ‘ভাৰত-প্ৰশান্ত মহাসাগৰীয় দৃষ্টিভংগী’ৰ ক্ষেত্ৰত ফিলিপাইনছে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা প্ৰধানমন্ত্ৰীয়ে দোহৰাৰ লগতে দ্বিপাক্ষিক সম্পৰ্কৰ আৰু অধিক সম্প্ৰসাৰণৰ পোষকতা কৰে।

প্ৰধানমন্ত্ৰীয়ে ফিলিপাইনছৰ উন্নয়ণৰ লক্ষ্যৰে ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড মাৰ্কোছ জুনিয়ৰে গ্ৰহণ কৰিব খোজা পৰিকল্পনা-প্ৰকল্পসমূহলৈ ভাৰতে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই যাব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে।

**নতুন দিল্লী**
**আগষ্ট 05, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.